# অসম আদিত্য

৩২ শাওণ, ১৯৪৮ শক ■ মঙলবাৰ, ১৮ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, August 18, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ

### কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ নৱাগত আদৰণী সভাত বিৰেন বৰুৱা

# অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই জ্ঞানৰ পোহৰ বিলায় গুৰুৱে



**ষ্টাফ ৰিপৰ্টাৰ, ১৭ আগষ্ট ঃ** 'গুৰুৱে অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই জ্ঞানৰ পোহৰ বিলায়। গুৰু হৈছেজ্ঞান আৰু প্ৰেৰণাৰ উৎস। গুৰুৱে ছাত্ৰ-ছাত্ৰীক সত্য আৰু ন্যায়ৰ পথ দেখুৱায়। গুৰুৰ শিক্ষাই জীৱনক আলোকিত কৰি ছাত্ৰ-ছাত্ৰীসকলক সফলতাৰ দিশে আগুৱাই নিয়ে।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ৰুক্মিণী দেৱী কানৈ আৰু নতুন ছাত্ৰীনিবাসৰ নৱাগতা আবাসীসকলৰ আদৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট লেখক, সাহিত্যিক তথা ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ বীৰেন বৰুৱাই ১৬ আগষ্টৰ সন্ধিয়া এইদৰে কয়। ছাত্ৰীনিবাসৰ আবাসী নিশিতা গগৈ আৰু অংকিতা ডেকাই আঁত ধৰা অনুষ্ঠানটিত বৰুৱাই কয়— বৰ্তমান নব প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকল হৈছে জেন জি, ইয়াৰ পিছতে আহি আছে জেন আলফা। এই দুয়োটা প্ৰজন্মই হৈছে পৃথিৱীৰ ইতিহাসৰ আটাইতকৈ শক্তিশালী আৰু ব্যতিক্ৰমী প্ৰজন্ম। মুখ্যদ্বাৰৰ পৰা ছাত্ৰীনিবাসৰ আবাসীসকলে আৱতি কৰি সভাগৃহলৈ উষ্ম আদৰণি জনাই অনা সভাখনিত তেওঁ কয়—আগৰ প্ৰজন্মই ইণ্টাৰনেট অহালৈ অপেক্ষা কৰিব লাগিছিল। আজিৰ প্ৰজন্ম ইণ্টাৰনেটৰ লগতেই জন্ম হৈছে বুলি উল্লেখ কৰি কয়—এটা সময়ত জ্ঞান আছিল কিতাপ আৰু গ্ৰন্থাগাৰৰ মাজত। আজি সেই জ্ঞান ছাত্ৰ-ছাত্ৰীৰ হাতৰ মুঠিত। ছাত্ৰীনিবাসৰ আবাসী নিভা লাহনে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত বৰুৱাই কয়— বৰ্তমান সময়ত এটা ম'বাইল ফোনেৰে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ বিভিন্নজনৰ লগত সংযোগ স্থাপন কৰিব পাৰি, ভাব বিনিময় কৰিব পাৰি, এইখনেই হৈছে বৰ্তমানৰ ডিজিটেল পৃথিৱী। এইখন পৃথিৱীত সুযোগ অপৰিসীম হ'লেও কিন্তু প্ৰত্যাহ্বানো আছে। বৰুৱাই কয়— বৰ্তমান ডিগ্ৰীতকৈ স্কীল গুৰুত্বপূৰ্ণ হৈ পৰিছে। অতীতত ডিগ্ৰীয়ে চাকৰি নিশ্চিত কৰিছিল, কিন্তু বৰ্তমান ডিগ্ৰীয়ে চাকৰি নিশ্চিত নকৰে বৰ্তমান চাকৰিৰ বাবে প্ৰয়োজন ডিগ্ৰীৰ সমপৰিমাণে দক্ষতাৰ। বিশেষকৈ কৰ্পৰেট খণ্ডত চাকৰি পাবলৈ হ'লে এতিয়া দক্ষতাৰ অতি প্ৰয়োজন। তেওঁ কয়— ডিজিটেল মানে কেৱল ম'বাইলত ৰিল চোৱা নহয়, ম'বাইলটোক নিজৰ কেৰিয়াৰ গঢ়ি তোলা, নিজৰ পৰিচয় গঢ়াৰ সঁজুলিলৈ ৰূপান্তৰ কৰিব পাৰিলেহে প্ৰকৃত ডিজিটেল মাধ্যম ব্যৱহাৰ কৰাৰ সাৰ্থকতা লাভ কৰিব পৰা যাব। বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়—নিজৰ শিপা শক্তিশালী কৰাৰ লগতে দৃষ্টি বিশ্বমুখী হোৱা উচিত। নিজৰ মাতৃভূমি, মাতৃভাষা আৰু সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ লগতে সময়, মনোযোগ আৰু অনুশাসন বৰ্তাই ৰাখিব পাৰিলেহে জীৱনত কৃতকাৰ্যতা লাভ কৰিব পাৰি। তেওঁ কয়— বৰ্তমান সময়ৰ ডিজিটেল ক্ষেত্ৰৰ আটাইতকৈ ডাঙৰ শত্ৰু হৈছে অমনোযোগী স্বভাৱ। তেওঁ কয়—ছাত্ৰ-ছাত্ৰীসকলে কৃত্ৰিম বুদ্ধিমত্তাক ব্যৱহাৰ কৰিবলৈ শিকিব লাগিব, তেতিয়াহে অনাগত দহ বছৰৰ পিছত এই ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰাই কোনোবা উদ্যোগপতি হ'ব, কোনোবা বিজ্ঞানী হ'ব আৰু কোনোবাজন বিশিষ্ট শিক্ষাবিদ আৰু কোনোবাই অসমক বিশ্বৰ মঞ্চত পৰিচয় কৰাই দিব পাৰিব। বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই কয়— হোষ্টেলৰ জীৱন মানে ঘৰুৱা গণ্ডিৰ পৰা ওলাই আহি সামূহিকভাৱে বাস কৰা, স্বাৱলম্বী হোৱা আৰু আত্মপৰিচয় গঢ়াৰ এক নিৰন্তৰ প্ৰক্ৰিয়া।' অধ্যক্ষ ড০ শইকীয়াই কয়— হোষ্টেল কেৱল থকা-খোৱাৰ ঠাই নহয়, বৰঞ্চ বিভিন্ন ঠাইৰ শিক্ষাৰ্থীৰ স'তে মিলি একতা, সহমৰ্মীতা, সহযোগিতা আৰু অনুশাসন শিকাৰ বাস্তৱ পাঠশালা। সংকটৰ সময়ত নতুন আবাসীক পুৰণাসকলে সহযোগিতা আগবঢ়াব লাগিব। নতুন আবাসীসকলক শিক্ষা, সংস্কৃতি, উৎসৱ, সভা-সমিতি আদিৰ প্ৰতি অনুপ্ৰাণিত কৰিব লাগিব। অধ্যক্ষগৰাকীয়ে কয়— প্ৰশাসন আৰু শিক্ষাৰ্থীৰ মাজত পুৰণা আবাসীসকলে সেতু বন্ধনৰ দৰে কাম কৰিব লাগিব। তেহে এখন সুন্দৰ হোষ্টেল গঢ় লৈ উঠিব আৰু শৈক্ষিক পৰিৱেশ অটুত থাকিব। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত বিশিষ্ট সমাজকৰ্মী তথা কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য জ্যোতি প্ৰসাদ কানৈ, জ্যেষ্ঠ অধিবক্তা তথা কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য অভিমন্যু বৰুৱা, কানৈ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড০ চুলতানা হাজৰিকা, গড়কাপ্তানি বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ৰিজু গগৈ, ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ অধীক্ষক ড০ বিৰাজ দত্ত, ৰুক্মিণী দেৱী কানৈ আৰু নতুন ছাত্ৰীনিবাসৰ অধীক্ষিকা অধ্যাপিকা কৰিশ্মা জে কে বৈষ্ণৱীয়ে নৱাগতা আবাসীসকলক উদ্দেশ্যি তত্ত্বগধুৰ আৰু সাৱলীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটিত তৃতীয় ষান্মাসিকৰ ছাত্ৰীসকলৰ সমবেত সংগীত, প্ৰথম ষান্মাসিকৰ নৱাগতা ৰিকি দুৱৰাৰ সত্ৰীয়া নৃত্য, প্ৰথম ষান্মাসিকৰ নৱাগতা ছাত্ৰীসকলৰ দলীয় নৃত্য, প্ৰথম ষান্মাসিকৰ চেলিনা হাজৰিকাৰ একক নত্য, পূজাশ্ৰী গগৈৰ কবিতা আবৃত্তি, পঞ্চম ষান্মাসিকৰ ছাত্ৰীসকলৰ দলীয় নৃত্য, প্ৰথম ষান্মাসিকৰ ছাত্ৰী উমা দেৱী ৰানাৰ একক নৃত্য, নীতিব্ৰতা গগৈ আৰু প্ৰীতি টায়েৰ যুটীয়া নৃত্য, তৃতীয় ষান্মাসিকৰ ছাত্ৰীসকলৰ দলীয় নৃত্য প্ৰদৰ্শনে উপস্থিত সকলোকে আপ্লুত কৰে। উল্লেখ্য যে, আজিৰ এই অনুষ্ঠানতে বিশিষ্ট সমাজকৰ্মী তথা কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য জ্যোতি প্ৰসাদ কানৈৰ ওপজা দিন উপলক্ষে ছাত্ৰীনিবাসৰ আবাসীসকলে কেক কাটি তেওঁৰ জন্মদিন উদ্‌যাপন কৰে। অনুষ্ঠানটিত নৱাগতা আবাসীসকলৰ হৈ বক্তৃতা প্ৰদান কৰে নিশিতা গগৈয়ে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি ছাত্ৰী নিবাসৰ নৱাগতা ছাত্ৰীসকলে সৌন্দৰ্য চৰ্চা প্ৰতিযোগিতাও অনুষ্ঠিত কৰে। সৌন্দৰ্য চৰ্চা প্ৰতিযোগিতাখনিৰ বিচাৰক হিচাপে উপস্থিত থাকে অধ্যাপিকা নিতুমণি সোনোৱাল আৰু অধ্যাপিকা পূজা কোঁৱৰ। অনুষ্ঠানটিত চহৰখনৰ ভালেকেইজন গণ্যমান্য ব্যক্তি, অধ্যাপক-অধ্যাপিকা, ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ শতাধিক আবাসী উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে ছাত্ৰীনিবাসৰ আবাসী নিভা লাহনে।